370
CHU
DCL-2



ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP)

প্ৰথম ষাণ্মাসিক, কলা শাখা

# শিক্ষাৰ বুনিয়াদ

## Foundations of Education

ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ২০২৩-২০২৪ শিক্ষাবৰ্ষৰ পৰা প্ৰৱৰ্তন হোৱা ৰাষ্ট্ৰীয় শিক্ষা নীতি (NEP)ৰ অধীনত স্নাতক মহলাৰ প্ৰথম ষাণ্মাসিকৰ শিক্ষা বিষয়ৰ মুখ্য (MAJOR) পাঠ্যক্ৰমৰ আধাৰত প্ৰস্তুত কৰা প্ৰসংগ পুথি

ড° দেইজী ৰাণী চুতীয়া
ড° ৰিমি বৰা
গীতালী দাস
তৃষ্ণা ভূঞা
গীতাঞ্জলী ভৰালী

MAHAVEER PUBLICATIONS

# B.A. IN EDUCATION PROGRAMME (FYUGP)
# DETAILED SYLLABUS OF 1ST SEMESTER

| | |
|---|---|
| **Course Title** | : **Foundations of Education-I** |
| **Course Code** | : **EDNC1** |
| **Nature of the Course** | : **Major** |
| **Course Credit** | : **4 Credits** |
| **Distribution of Marks** | : **80 (End Sem) + 20 (In-Sem)** |

**Course Objective :** The objectives of this Course are to:

- discuss the meaning, nature, scope and types of Education
- explain the aims of education and aims of education based on four pillars of education.
- explain the concepts of Psychology and Educational Psychology, schools of psychology and methods of educational psychology
- describe the meaning, nature and scope of Philosophy and Educational Philosophy.
- explain the role of Philosophy in different aspects of Education.
- describe the meaning, nature and scope of Sociology and Educational Sociology.
- discuss the conflict and consensus theories of Educational Sociology.

| Units | Course Content | L | T | P | Total Hrs. |
|---|---|---|---|---|---|
| I<br>20<br>(Marks) | **CONCEPT OF EDUCATION:**<br>1.1 Education- Meaning, Nature, and Scope<br>1.2 Types of Education - Formal, Non-Formal and Informal Education<br>1.3 Aims of Education<br>• Necessity and determinants of aims of education<br>• Individual and Social Aims of Education<br>• Aims of Education based on four pillars of Education (Delors, 1997)- (Learning to learn, learning to do, learning to be and learning to live together)<br>1.4 Functions of Education<br>• General Functions of Education (development of basic knowledge; appreciation; and basic skills; transformation, preservation and promotion of culture; and socialisation and social progress)<br>• Functions of Education in Human Life (development of human values, acquisition of/achieving self-actualisation and successful living, and development of vocational efficiency)<br>• Functions of Education in National Life (development of nationalism, emotional integration and democratic citizenship) | 16 | 02 | – | 18 |
| II<br>20<br>(Marks) | **PSYCHOLOGICAL FOUNDATIONS OF EDUCATION**<br>2.1 Psychology-Concept, Definitions, Nature and Branches of Psychology<br>2.2 Schools of Psychology-Structuralism, Behaviourism, Functionalism, Gestalt Psychology, Psycho-analysis, and Constructivism<br>2.3 Meaning, nature and scope of Educational Psychology<br>2.4 Methods of Educational Psychology (Observation, Case Study, Clinical Methods)<br>2.5 Application of Educational Psychology in teaching-learning process. | 14 | 01 | – | 15 |
| III<br>20<br>(Marks) | **PHILOSOPHICAL FOUNDATIONS OF EDUCATION**<br>3.1 Meaning, definitions and scope of Philosophy<br>3.2 Science of Education and Philosophy of Education<br>3.3 Relationship between Education and Philosophy<br>3.4 Meaning, nature and scope of Educational Philosophy<br>3.5 Role of Philosophy in Education (aims of education, curriculum, discipline, methods of teaching and role of teacher) | 13 | 01 | – | 14 |
| IV<br>20<br>(Marks) | **SOCIOLOGICAL FOUNDATIONS OF EDUCATION**<br>4.1 Meaning, nature and scope of Sociology<br>4.2 Relationship between Education and Sociology<br>4.3 Need of Sociological Approach to Education<br>4.4 Meaning, nature and scope of Educational Sociology | 12 | 01 | – | 13 |

| | | | | | |
|---|---|---|---|---|---|
| | 4.4 Difference between Sociology and Educational Sociology<br>4.5 Theories of Educational Sociology– Conflict Theory and Consensus Theory with their concepts, features, merits & demerits. | | | | |
| | **Total** | 55 | 05 | – | 60 |

**Where, L = Lectures, T = Tutorials, P = Practicals**

**Modes of In-Semester Assessment:** **20 Marks**

1) One sessional test - 10 Marks
2) Any one of the following activities listed below - 10 Marks
   - Group discussion/Seminar/Debate/Assignment on any one of the topics of the course.
   - Debate
   - Project

**Learning Outcomes:** On completion of this Course, a student will be able to:

- explain the meaning, nature, scope and types of Education
- discuss the aims and functions of education
- understand the concepts of Psychology and Educational Psychology, schools of psychology and methods of educational psychology
- describe the meaning, nature and scope of Philosophy and Educational Philosophy.
- explain the role of Philosophy in different aspects of Education.
- describe the meaning, nature and scope of Sociology and Educational Sociology.
- discuss the theories of Educational Sociology.

# সূচীপত্ৰ


**অধ্যায় ০১ ঃ শিক্ষাৰ ধাৰণা** ১৩-৬১

১.১ শিক্ষাৰ ধাৰণা ঃ শিক্ষাৰ অৰ্থ ; শিক্ষাৰ সংজ্ঞা ; পশ্চিমীয়া শিক্ষাবিদসকলৰ শিক্ষাৰ সংজ্ঞা ; ভাৰতীয় শিক্ষাবিদসকলৰ শিক্ষাৰ ধাৰণা ; শিক্ষাৰ সংকীৰ্ণ আৰু ব্যাপক অথ ; শিক্ষাৰ সংকীৰ্ণ অৰ্থ, শিক্ষাৰ ব্যাপক অৰ্থ ; ব্যাপক অৰ্থৰ শিক্ষাৰ কিছুমান বৈশিষ্ট্য ; শিক্ষাৰ প্ৰকৃতি ; শিক্ষাৰ পৰিসৰ ; শিক্ষা এক দ্বি-পাক্ষিক প্ৰক্ৰিয়া

১.২ শিক্ষাৰ প্ৰকাৰ ঃ আনুষ্ঠানিক শিক্ষা ; আনুষ্ঠানিক শিক্ষাৰ বৈশিষ্ট্য ; অনানুষ্ঠানিক শিক্ষা ; অনানুষ্ঠানিক শিক্ষাৰ বৈশিষ্ট্য ; অনৌপ্ৰচাৰিক বা অগতানুগতিক শিক্ষা ; অগতানুগতিক শিক্ষাৰ বৈশিষ্ট্য ; আনুষ্ঠানিক আৰু অনানুষ্ঠানিক শিক্ষাৰ পাৰ্থক্য ; আনুষ্ঠানিক আৰু অগতানুগতিক শিক্ষাৰ পাৰ্থক্য

১.৩ শিক্ষাৰ লক্ষ্য ঃ শিক্ষাৰ ক্ষেত্ৰত লক্ষ্যৰ প্ৰয়োজনীয়তা ; শিক্ষাৰ লক্ষ্যৰ নিৰ্ধাৰক ; দাৰ্শনিক দিশ ; শিক্ষাৰ ব্যক্তিতান্ত্ৰিক আৰু সমাজতান্ত্ৰিক লক্ষ্য ; শিক্ষাৰ ব্যক্তিবাদী লক্ষ্যৰ সবলতা ; ব্যক্তিবাদী লক্ষ্যৰ দুৰ্বলতা ; শিক্ষাৰ সমাজতান্ত্ৰিক লক্ষ্য ; শিক্ষাৰ সমাজবাদী লক্ষ্যৰ সফলতা ; সমাজবাদী লক্ষ্যৰ দুৰ্বলতা ; শিক্ষাৰ চাৰিটা স্তম্ভৰ ভিত্তিত শিক্ষাৰ লক্ষ্য

১.৪ শিক্ষাৰ কাম ঃ মানৱ জীৱনত শিক্ষাৰ কাম ; জাতীয় জীৱনত শিক্ষাৰ কাৰ্য

**অধ্যায় ০২ ঃ শিক্ষাৰ মনোবৈজ্ঞানিক ভিত্তি** ৬২-৯১

২.১ মনোবিজ্ঞানৰ ধাৰণা ঃ মনোবিজ্ঞানৰ সংজ্ঞা ; মনোবিজ্ঞানৰ প্ৰকৃতি ; মনোবিজ্ঞানৰ গুৰুত্ব ; মনোবিজ্ঞানৰ বিভিন্ন শাখা ; মনোবিজ্ঞানৰ বিভিন্ন চিন্তা-গোষ্ঠী

২.২ মনোবিজ্ঞানৰ বিভিন্ন চিন্তা-গোষ্ঠী ঃ সংগঠনবাদ ; শিক্ষা-মনোবিজ্ঞানলৈ সংগঠনবাদৰ অৱদান ; আচৰণবাদ ; শিক্ষা-মনোবিজ্ঞানত আচৰণবাদৰ অৱদান ; ক্ৰিয়াবাদ ; শিক্ষা-মনোবিজ্ঞানত ক্ৰিয়াবাদৰ অৱদান ; সামগ্ৰিকতাবাদ ; শিক্ষা-মনোবিজ্ঞানত সামগ্ৰিতাবাদৰ অৱদান ; মনোবিশ্লেষণবাদ ; শিক্ষা-মনোবিজ্ঞানত মনোবিশ্লেষণবাদৰ অৱদান ; গঠনবাদ ; শিক্ষা-মনোবিজ্ঞানত গঠনবাদৰ অৱদান

২.৩ শিক্ষা-মনোবিজ্ঞান ঃ শিক্ষা-মনোবিজ্ঞানৰ প্ৰকৃতি ; শিক্ষা-মনোবিজ্ঞানৰ পৰিসৰ

২.৪ শিক্ষা-মনোবিজ্ঞানৰ পদ্ধতি ঃ নিৰিক্ষণ পদ্ধতি ; ঘটনা বিৱৰণ পদ্ধতি ; নৈদানিক পদ্ধতি
২.৫ শিক্ষণ-শিকন প্ৰক্ৰিয়াত শিক্ষা মনোবিজ্ঞানৰ প্ৰয়োগিকতা

অধ্যায় ০৩ ঃ শিক্ষাৰ দাৰ্শনিক ভিত্তি ৯২-১৪৩
৩.১ দৰ্শনৰ অৰ্থ সংজ্ঞা আৰু পৰিসৰ ঃ দৰ্শনৰ অৰ্থ ; দৰ্শনৰ উৎপত্তি ; দৰ্শনৰ সংজ্ঞা ; দৰ্শনৰ প্ৰাসংগিকতা ; দৰ্শনৰ প্ৰকৃতি ; দৰ্শনৰ বৈশিষ্ট্যসমূহ ; দৰ্শনৰ পৰিস
৩.২ শিক্ষাৰ বিজ্ঞান আৰু শিক্ষাৰ দৰ্শন ঃ শিক্ষাৰ বিজ্ঞান ; শিক্ষাৰ দৰ্শন
৩.৩ শিক্ষা আৰু দৰ্শনৰ সম্বন্ধ ঃ দৰ্শন আৰু শিক্ষা উভয়ে আন্তঃসম্পৰ্কযুক্ত, দৰ্শন শিক্ষাৰ ওপৰত নিৰ্ভৰশীল
৩.৪ শৈক্ষিক দৰ্শনৰ অৰ্থ ঃ শৈক্ষিক দৰ্শনৰ প্ৰকৃতি ; শিক্ষা দৰ্শনৰ পৰিসৰ,
৩.৫ শিক্ষাত দৰ্শনৰ ভূমিকা ঃ দৰ্শন আৰু শিক্ষাৰ লক্ষ্য ; প্ৰয়োগবাদৰ মতে শিক্ষাৰ লক্ষ্য ; দৰ্শন আৰু পাঠ্যক্ৰম ; দৰ্শন আৰু অনুশাসন ; দৰ্শন আৰু শিক্ষণ প্ৰণালী ; দৰ্শন আৰু শিক্ষকৰ ভূমিকা

অধ্যায় ০৪ ঃ শিক্ষাৰ সমাজতাত্বিক ভিত্তি ১৪৪-১৬৪
৪.১ সমাজতত্বৰ অৰ্থ; সমাজতত্বৰ সংজ্ঞা ; সমাজতত্বৰ বৈশিষ্ট্যসমূহ; সমাজতত্বৰ প্ৰকৃতি ; সমাজতত্বৰ পৰিসৰ
৪.২ শিক্ষা আৰু সমাজবিজ্ঞানৰ সম্পৰ্ক
৪.৩ শিক্ষাৰ সমাজতাত্বিক ভিত্তিৰ প্ৰয়োজনীয়তা ঃ
৪.৪ শৈক্ষিক সমাজশাস্ত্ৰৰ অৰ্থ ঃ শৈক্ষিক সমাজবিজ্ঞানৰ সংজ্ঞা; শৈক্ষিক সমাজশাস্ত্ৰৰ প্ৰকৃতি ; শিক্ষা সমাজবিজ্ঞানৰ পৰিসৰ,
৪.৫ সমাজবিজ্ঞান আৰু শিক্ষা সমাজবিজ্ঞানৰ মাজৰ পাৰ্থক্য
৪.৬ শিক্ষা-সমাজবিজ্ঞানৰ তত্বসমূহ— দ্বন্দাত্মক আৰু ঐক্যমত তত্ব ইয়াৰ ধাৰণা, বৈশিষ্ট্য, সুবিধা আৰু অসুবিধাসমূহ।

প্ৰসংগ পুথিসমূহ ঃ ১৬৫-১৬৬

DULIAJAN COLLEGE LIBRARY
ESTD. 1969
P.O. DULIAJAN 786 602, ASSAM

অধ্যায়-০১

# শিক্ষাৰ ধাৰণা
# (Concept of Education)

## ১.১ শিক্ষাৰ ধাৰণা (Concept of Education) ঃ

জীৱশ্ৰেষ্ঠ মানৱে দলগত প্ৰবৃত্তি বা নিজৰ সুৰক্ষাৰ কাৰণতেই হওক দলৱদ্ধভাৱে থাকি সমাজৰ সৃষ্টি কৰিছিল। সমাজত বসবাস কৰি মানুহৰ নিজৰ জৈৱিক প্ৰয়োজনসমূহ পূৰণ কৰাৰ উপৰিও সমূহীয়া উন্নতিৰ চেষ্টা কৰিবলৈ লয়। জীৱন যাত্ৰাৰ পথ সুগম কৰাৰ বাবে নিজ সৃজনী প্ৰতিভাৰে নতুন নতুন উপায়সমূহ আৱিষ্কাৰ কৰি ব্যক্তিগত আৰু সামাজিক দুই ধৰণৰ পৰিৱৰ্তন সাধন কৰিছিল। উত্তৰ পুৰুষৰ এনে সৃষ্টিশীল কৰ্মৰাজি নতুন পুৰুষৰ হাতলৈ শিক্ষাৰ মাধ্যমেৰে মানৱ সমাজে হস্তান্তৰ কৰি গৈছিল।

প্ৰথম অৱস্থাত সহজ সৰল সামাজিক জীৱন-যাপন কৰা মানৱ সমাজে সহজ সৰল জীৱনৰ প্ৰয়োজনীয় কথাবোৰ ল'ৰা-ছোৱালীক শিকাইছিল। প্ৰত্যক্ষ অভিজ্ঞতাসমূহৰ দ্বাৰাই দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় দিশবোৰ যেনে- ঘৰ সজা, মাছ মৰা, খেতি কৰা, চিকাৰ কৰা, নাও সজা, হাবি বন কাটি যাতায়াতৰ বাবে পথ সুচল কৰা আদিবোৰ কৰিবলৈ শিকিছিল। কিন্তু লাহে লাহে সমাজলৈ অহা পৰিৱৰ্তন, সমাজৰ প্ৰসাৰ আৰু উন্নতিয়ে প্ৰত্যক্ষ অভিজ্ঞতা আৰু সহজ সৰল শিক্ষাদানৰ পদ্ধতি যথোপযুক্ত নোহোৱা যেন সমাজে অনুভৱ কৰিবলৈ লয়। বৰ্তমান দ্ৰুত পৰিৱৰ্তন বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ প্ৰভাৱে শিকাবলগীয়া বিষয়বস্তু উদ্দেশ্য আৰু শিক্ষাদান পদ্ধতি সলনি কৰাৰ পোষকতা কৰে। সমাজৰ প্ৰয়োজন অনুভৱ কৰি গঢ়ি তোলা শিক্ষানুষ্ঠানৰ শিক্ষা ব্যৱস্থাৰ বাহিৰেও বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান সমাজৰ পৰম্পৰা, আচাৰ-ব্যৱহাৰ আদিৰ দ্বাৰাও জীৱন